# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত পৰিষদৰ নিজস্ব ৰাজহৰ লগত সামঞ্জস্য ৰাখিহে পুঁজি মুকলি কৰিব ৰাজ্য চৰকাৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্যকালৰ প্ৰথম বছৰৰ ৭৫ টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন 'উইংছ টু আৱাৰ হোপ্‌ছ' গ্ৰন্থৰ প্ৰথম খণ্ড আজি উন্মোচন।

৩। ৰাজ্যত জাপানীজ এনচেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ। এই পৰ্যন্ত ৫ গৰাকী লোকৰ মৃত্যু।

৪। উচ্চতম ন্যায়ালয়ত আজি NEET-UG ২০২৪ সন্দৰ্ভত দাখিল কৰা কেইবাখনো আবেদনৰ শুনানি।

*আৰু*

৫। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতা কাইলৈ শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ।

0000000

ষষ্ঠ অনুসূচীভুক্ত এলেকাত স্বায়ত্ত শাসিত পৰিষদসমূহলৈ পুঁজি আবণ্টনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পূৰ্বৰ নীতিৰ সাল-সলনি কৰিছে। এতিয়াৰেপৰা তিনি স্বায়ত্ত শাসিত পৰিষদে পূৰ্বৰ দৰে বাজেট ধাৰ্য পুঁজি নাপাব। বিটিআৰ, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদে সংগ্ৰহ কৰা ৰাজহৰ ওপৰত ভিত্তি কৰিহে ৰাজ্য চৰকাৰে বাজেট ধাৰ্য পুঁজি আবণ্টন কৰিব। বাজেটত সমুদায় পুঁজি মুকলি কৰি দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কঠোৰ নীতি-নিয়ম আৰোপ কৰিছে। এই সিদ্ধান্ত গ্ৰহণ কৰি ৰাজ্য চৰকাৰে ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত পৰিষদসমূহক নিজাকৈ ৰাজহ সংগ্ৰহত অধিক গুৰুত্ব দিবলৈ নিৰ্দেশ দিছে। ইয়াৰোপৰি ৰাজ্য চৰকাৰে স্বায়ত্ত শাসিত পৰিষদসমূহক ব্যয় সংকোচনৰ নীতি কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিছে। স্বায়ত্ত পৰিষদকেইখনে সংগ্ৰহ কৰা ৰাজহৰ তথ্য বিত্ত বিভাগক দিবলৈও নিৰ্দেশটোত কোৱা হৈছে।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ ৭৫টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন **উইংছ টু আৱাৰ হোপ্‌ছ** গ্ৰন্থৰ প্ৰথম খণ্ড আজি নতুন দিল্লীত উন্মোচন কৰা হ'ব। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত এই ই-বুকখন মুকলি কৰিব। কেন্দ্ৰীয় প্ৰকাশন বিভাগে এই গ্ৰন্থখন প্ৰকাশ কৰিছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজী ভাষাত মুকলি কৰা হ'ব।

0000000

ৰাজ্যৰ বিভিন্ন অঞ্চলত বান পৰিস্থিতি স্বাভাৱিক হৈছে যদিও এতিয়াও ১৪ খন জিলাৰ ৩৭ টা ৰাজহ চক্ৰৰ ৮শৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। ৰাজ্যৰ চাৰে তিনি লাখৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। একেদৰে ৮৫টা আশ্ৰয় শিবিৰত প্ৰায় ১৩ হাজাৰ লোকে এতিয়াও আশ্ৰয় লৈ আছে। কোনো কোনো অঞ্চলত পানী শুকুওৱাৰ পাছত জনসাধাৰণ নিজ বাসগৃহ অভিমুখে উভতি গৈছে যদিও বানৰ পাছত বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। স্বাস্থ্য বিভাগে এনে অঞ্চলসমূহত পানীৰ পৰা উদ্ভৱ হব পৰা ডায়েৰীয়া আদি ৰোগ আৰু মহৰ পৰা উদ্ভৱ হোৱা মেলেৰীয়া, এনচেফেলাইটিছ আদি ৰোগ প্ৰতিৰোধৰ বাবে ব্যাপক সজাগতা ব্যৱস্থা লৈছে।

আনহাতে ৰাজ্যৰ বিভিন্ন অঞ্চলত বানৰ লগতে খহনীয়াৰ সমস্যাইও ভাবুকিৰ সৃষ্টি কৰিছে। কেবাখনো জিলাত ভালেমান বাসগৃহ আৰু কৃষিভূমি খহনীয়াৰ ফলত জাহ গৈছে।

0000000

ৰাজ্যৰ কেইবাটাও অঞ্চলত জাপানীজ এনচেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ ঘটিছে। এই ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে ৫ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ১১ জন লোক চিকিৎসাধীন হৈ আছে। উল্লেখযোগ্য যে বগলী আৰু কণামুচুৰীৰ দৰে চৰাই এই ভাইৰাছৰ মুখ্য বাহক। অতিপাত জ্বৰ, মূৰৰ বিষ, অপ্ৰাসংগিক আৰু বিভ্ৰান্ত হোৱা, সংজ্ঞাহীনতা, শৰীৰৰ অস্বাভাৱিক কঁপনি আৰু শুদ্ধভাৱে কথা ক'বলৈ অসমৰ্থ হোৱা এই জাপানীজ এনচেফেলাইটিছৰ প্ৰধান লক্ষণ। তাৎক্ষণিক চিকিৎসাৰ দ্বাৰা এই ৰোগৰ পৰা জীৱন ৰক্ষা কৰিব পাৰি। এই ৰোগৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ স্বাস্থ্য বিভাগে কেইবাটাও পৰামৰ্শ আগবঢ়াইছে। মহৰ কামোৰৰ পৰা ৰক্ষা কৰিবলৈ সন্ধিয়া আৰু পুৱা পানী জমা হোৱা এলেকালৈ যোৱাটো পৰিহাৰ কৰিব লাগে। ইয়াৰ লগতে পাতল ৰঙৰ, দীঘল হাতৰ কাপোৰ পৰিধান কৰিব লাগে। শোৱাৰ সময়ত আঁঠুৱা ব্যৱহাৰ কৰাৰ লগতে মহৰ প্ৰতিৰোধৰ বাবে কীটনাশক ছটিয়াব লাগে। ঘৰৰ আশে-পাশে থকা নলা-নৰ্দমাসমূহ পৰিস্কাৰ কৰি ৰখাৰ লগতে গাহৰিৰ গঁৰাল জাল বা আঁঠুৱাৰে ঢাকি ৰাখিব লাগে। বানৰ পাছত সৃষ্টি হ'ব পৰা বিভিন্ন বাহকজনিত ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মহৰ পৰা হ'বপৰা ৰোগ নিৰ্মূলকৰণৰ বাবে ৰাসায়নিক দ্ৰব্য ছটিওৱাৰ লগতে ঠায়ে ঠায়ে সজাগতামূলক সভা অনুষ্ঠিত কৰা হৈছে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা NEET-UG ২০২৪ সন্দৰ্ভত দাখিল কৰা কেইবাখনো আবেদনৰ শুনানি গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰৰ বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰিব। এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠত ৪০ খন আবেদন বিচাৰাধীন হৈ আছে।

০০০০০০০০

সংসদৰ বাজেট অধিবেশন অহা ২২ জুলাইত আৰম্ভ হ'ব। এই অধিবেশনৰ ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সদনত দাখিল কৰিব। বিত্ত মন্ত্ৰী সীতাৰমনে লোকসভা নিৰ্বাচনৰ পূৰ্বে অন্তৰ্বৰ্তী বাজেট উত্থাপন কৰিছিল। এইবাৰৰ বাজেটে দেশৰ দ্ৰুত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব পৰাকৈ বিভিন্ন সুবিধা নিশ্চিত কৰাৰ লগতে অধিক নিয়োগৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে পৰৱৰ্তী ৫টা বছৰ ভাৰতে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত নিৰ্ণায়ক হ'ব বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় অৰ্থনীতিয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮ দশমিক ২ শতাংশ হাৰত বিকাশ লাভ কৰাৰ সময়ত এইবাৰৰ বাজেটে গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। সম্প্ৰতি বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিবেচিত ভাৰতৰ মুদ্ৰাস্ফীতি ৫ শতাংশতকৈ নিম্নগামী হৈছে।

০০০০০০০০

দেশত বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা সংস্থাই চলোৱা জৰীপ অনুসৰি অসমে বাল্য বিবাহ ৰোধৰ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত শীৰ্ষস্থানৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইণ্ডিয়া চাইল্ড প্ৰটেকচন আৰু বাল্য বিবাহ মুক্ত ভাৰত নামৰ সংস্থা দুটাৰ সমীক্ষা অনুসৰি অসম চৰকাৰে লোৱা পদক্ষেপৰ ফলত ৮১ শতাংশ বাল্য বিবাহ ৰোধ হৈছে। দেশৰ ভিতৰতে আদৰ্শ দাঙি ধৰা অসমৰ আৰ্হি গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অন্য ৰাজসমূহকো আহ্বান জনাইছে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ লোৱা কঠোৰ আইনী পদক্ষেপৰ বাবে বাল্য বিবাহ হ্ৰাস পোৱা বুলি সমীক্ষাত প্ৰকাশ পাইছে। সমীক্ষাৰ তথ্য অনুসৰি কালি নতুন দিল্লীত প্ৰকাশিত টুৱাৰ্ডছ জাষ্টিছ শীৰ্ষক প্ৰতিবেদনত অসমৰ বাল্য বিবাহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ নীতি প্ৰশংসা কৰা হয়। বাল্য বিবাহ মুক্ত ভাৰতৰ প্ৰতিষ্ঠাপক ভূৱন ৰিবু আৰু ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা সংস্থাৰ অধ্যক্ষ প্ৰিয়ংক কাননগোয়ে এই প্ৰতিবেদন উন্মোচন কৰি সমগ্ৰ দেশৰ ভিতৰতে অসমত ২০২১-২২ চনৰ তুলনাত ২৩-২৪ বৰ্ষত ৰাজ্যখনত ৮১ শতাংশ বাল্য বিবাহ হ্ৰাস পোৱা বুলি প্ৰকাশ কৰে। প্ৰতিবেদনৰ তথ্য অনুসৰি ৰাজ্যখনৰ গ্ৰামাঞ্চলত ২০২১-২২ বৰ্ষত বাল্য বিবাহৰ ঘটনা ৩ হেজাৰ ২২৫ টা পৰা ২০২৪ চনত ৬২৭ টালৈ হ্ৰাস পাইছে। সমগ্ৰ দেশত প্ৰতি মিনিটত তিনিখনকৈ বাল্য বিবাহ সম্পন্ন হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে।

০০০০০০০০

গোৱালপাৰা চহৰৰ সমীপৱৰ্তী কল্যাণপুৰত কালি নিশা ব্যৱসায়ী অশোক গোৱেলৰ হত্যাকাণ্ডৰ লগত জড়িত দুই দুৰ্বৃত্ত আৰক্ষীৰ গুলীত আহত হয়। দুয়ো ক্ৰমে অশোক গোৱেলৰ গাড়ীচালক আছান আলী আৰু দুৰ্বৃত্ত দলৰ গাড়ীচালক জাহিদুল ইছলাম বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে গোৱালপাৰা জিলা কল্যাণপুৰত যোৱা ১৪ জুলাইৰ সন্ধিয়া অশোক গোৱেল নামৰ ব্যৱসায়ীজনক দুৰ্বৃত্তৰ দলে গুলীয়াই হত্যা কৰে। আৰক্ষীয়ে কালি সন্ধিয়া ঘটনাস্থলীত তদন্ত চলাবলৈ উপস্থিত হোৱাৰ লগে লগে দুই গাড়ীচালক আছান আৰু জাহিদুলে পলায়ন কৰিবলৈ লওঁতেই আৰক্ষীয়ে গুলীচালনা কৰে।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০

বায়ুসেনাৰ ঘাটিৰে সংলগ্ন ৰানৱে উন্নীতকৰণৰ বাবে তেজপুৰৰ শালনিবাৰী বিমান বন্দৰ পহিলা অক্টোবৰৰ পৰা ডেৰ বছৰলৈ বন্ধ থাকিব। তেজপুৰ বিমান বন্দৰ প্ৰাধিকৰণে প্ৰকাশ কৰা অনুসৰি বিমান বন্দৰৰ পৰা যাত্ৰীবাহী বিমানৰ চলাচল অহা ১ অক্টোবৰৰ পৰা ২০২৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বন্ধ থাকিব।

00000

ৰাষ্ট্ৰীয় মীন পালন বিকাশ পৰিষদৰ উদ্যোগত আৰু দৰং জিলা মীন উন্নয়ন বিভাগৰ সহযোগত মাগুৰ, পাভ, পুঠি আদি থলুৱা প্ৰজাতিৰ মাছৰ বাণিজ্যিক ভিত্তিত গুণগত উৎপাদনৰ লক্ষ্যৰে অসমৰ লগতে ছিকিম, নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ মীন পালকৰ বাবে মঙলদৈত কালিৰে পৰা তিনিদিনীয়াকৈ এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। অনুষ্ঠানত ভাৰতীয় কৃষি গৱেষণা সংসদৰ উত্তৰ-পূৰ্বাঞ্চল ক্ষেত্ৰীয় কেন্দ্ৰৰ মুৰব্বী ড০ চুল্লিপ কুমাৰ মাঝী, ৰাষ্ট্ৰীয় মীন পালন বিকাশ পৰিষদৰ ক্ষেত্ৰীয় কেন্দ্ৰৰ মুৰব্বী অসীম কুমাৰ বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মাগুৰ, শিঙি, পাভ, পুঠি, মুৰা আদি সৰু থলুৱা প্ৰজাতিৰ মাছৰ বাণিজ্যিকভাৱে উৎপাদন কৰি কিদৰে লাভৱান হ'ব পাৰি সেই বিষয়ে আলোচনা কৰা হয়।

00000000

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰালয়ে আসন্ন পেৰিছ অলিম্পিকৰ বাবে ভাৰতীয় চূড়ান্ত দলটোত অনুমোদন জনাইছে। এই অনুসাৰে ভাৰতীয় দলত ১১৭ গৰাকী এথলিট আৰু ১৪০ গৰাকী বিষয়ববীয়া তথা সহযোগী ষ্টাফ অন্তৰ্ভুক্ত হৈছে। উল্লেখযোগ্য যে এইবাৰৰ অলিম্পিক গেমছ ২৬ জুলাইৰ পৰা ১১ আগষ্টলৈকে ফ্ৰান্সৰ পেৰিছত অনুষ্ঠিত হ'ব।

00000000

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগতা কাইলৈ শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰনগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কাইলৈ গ্ৰুপ এৰ দল নেপাল আৰু ইউ এ ইৰ মাজত অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ আন এখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে জয়েৰে অভিযান আৰম্ভ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ এত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। ২৮ জুলাইত ফাইনেল খেল খেলোৱা হ'ব। ভাৰতে ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে। ভাৰত ২০১৮ চনৰ ফাইনেলত বাংলাদেশৰ হাতত পৰাজিত হৈছিল।

00000

সূৰ্য কুমাৰ যাদৱে কালি জাৰি কৰা পুৰুষৰ আই চি চি টি-২০ বেটিঙৰ বাছনি তালিকাত দ্বিতীয় স্থান অক্ষুন্ন ৰাখিছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ যশস্বী জয়ছৱালে তালিকাত ষষ্ঠ স্থান লাভ কৰিছে। আনহাতে, ৰুতুৰাজ গাইকোৱাড এটা স্থান তললৈ নামি অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অলপতে জিম্বাব'ৱেৰ বিৰুদ্ধে অনুষ্ঠিত টি-২০ শৃংখলাত ৪-১ ফলাফলত জয়লাভ কৰাৰ বাবে শেহতীয়া বাছনি তালিকাত ভাৰতীয় খেলুৱৈসকলৰ স্থান উন্নীত হৈছে। পুৰুষৰ টি-২০ অলৰাউণ্ডাৰৰ বাছনি তালিকাত ভাৰতৰ অকল হাৰ্দিক পাণ্ডিয়াই স্থান লাভ কৰিবলৈ সক্ষম হৈছে। তালিকাত পাণ্ডিয়াই ষষ্ঠ স্থান লাভ কৰিছে। শ্ৰীলংকাৰ ৱানিণ্ডু হাছৰাংগাই এই তালিকাৰ শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে। ইফালে পুৰুষৰ টেষ্ট বেটিঙৰ ৰেংকিঙত ৰোহিত শৰ্মাই ষষ্ঠ আৰু যশস্বী জয়ছৱালে অষ্টম স্থান লাভ কৰিছে। প্ৰাক্তন অধিনায়ক বিৰাট কোহলীয়ে এটা স্থান তললৈ নামি দশম স্থান অধিকাৰ কৰিছে।

00000000

ভাৰতৰ সুমিত নাগলে আজি ছুইডিছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ৩৬ সংখ্যক স্থানৰ আৰ্জেণ্টিনাৰ মৰিয়ানো নৱোনেৰ সন্মুখীন হ'ব। খেলখন আজি বিয়লি ছুইডেনৰ বষ্টাড টেনিছ ষ্টেডিয়ামৰ চেণ্টাৰ কোৰ্টত অনুষ্ঠিত হ'ব। নাগলে মঙলবাৰে প্ৰতিযোগিতাৰ এখন খেলত ছুইডেনৰ এলিয়াছ য়মেৰক ৬-৪, ৬-৩ পোনপটীয়া ছেটত পৰাভূত কৰে।

00000

ৰাজ্যৰ পাঁচ সমষ্টিত হ'বলগীয়া উপ নিৰ্বাচনত কংগ্ৰেছে বিৰোধী ঐক্যমঞ্চৰ সহযোগী দলকেইটাৰ সৈতে আলোচনা নকৰাকৈ আটাইকেইটা সমষ্টিত এককভাৱে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ লোৱা সিদ্ধান্তৰ পাছতেই মিত্ৰদলকেইটাৰ মাজত অসন্তুষ্টি দেখিবলৈ পোৱা গৈছে আৰু মিত্ৰদলসমূহৰ নেতৃত্বই পৃথকে পৃথকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই বাতৰিটোক আমাৰ অসম, অসমীয়া খবৰ, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমিকে ধৰি প্ৰায়কেইখন কাকতেই গুৰুত্বসহকাৰে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকতে 'ভূপেন বৰাৰ মন্তব্যত ক্ষোভঃ কংগ্ৰেছক অহংকাৰ এৰি ঐক্যবদ্ধভাৱে যুঁজাৰ আহ্বান অখিল-লুৰীণৰ" শিৰোনামেৰে পৰিৱেশন কৰিছে। গুৱাহাটীৰ বিৰুবাৰীত কালি সন্ধিয়া এটা ট্ৰেন্সফৰ্মাৰ বিস্ফোৰণৰ ফলত কেবাজনো লোক দগ্ধ হোৱাৰ খবৰটো প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কাছাৰৰ ভূবন পাহাৰত আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত হোৱা সংঘৰ্ষত তিনিজন মাৰ উগ্ৰপন্থী নিহত হোৱাৰ বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতীয় শিশু সুৰক্ষা সংস্থা আই চি পি-এ চলোৱা এটা সমীক্ষাত অসমত বিগত ৩ বছৰত বাল্য বিবাহৰ হাৰ ৮১শতাংশ হ্ৰাস পোৱা

বুলি প্ৰকাশ কৰিছে। এই বাতৰিটো The Assam Tribune কাকতত Crackdown leads to decline in child marriage in assam শিৰোনামেৰে প্ৰকাশ পাইছে। The sentinal কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে স্থান দিয়া একেটা বাতৰিৰ শিৰোনাম 'Assam Shows the way, with 81 percent reduction in child marriage'। বানৰ পাছতেই ৰাজ্যত বাহকজনিত ৰোগৰ সংক্ৰমণ বৃদ্ধি পাইছে। জাপানীজ এনচেফেলাইটিচ আৰু এনচেফেলাইটিছ সদৃশ ৰোগত ৰাজ্যত এই পৰ্যন্ত মুঠ ১৮৭জন আক্ৰান্ত হৈছে। এই বাতৰিটোক আমাৰ অসম কাকতে জ্বৰে এৰিলেও কৰ্পটিয়ে নেৰে ৰাজ্যক, বানৰ পাছতেই মুৰ দাঙি উঠিল এনচেফেলাইটিছ শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- আলু পিঁয়াজৰ নাটনিৰ আশংকা, সীমান্তত শ শ ট্ৰাক আবদ্ধ বংগ আৰক্ষীৰ। অসমত আলুকে ধৰি পাচলিৰ দাম বৃদ্ধিৰ আশংকা। গোৱালপাৰাত ব্যৱসায়ী হত্যাৰে জৰিত ধৃত দুই বাহন চালকক আৰক্ষীৰ এনকাউন্টাৰ -গুৱাহাটীত কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিৰ বৈঠক। দলৰ ৬টা গোটৰ সৈতে বৈঠক জিতেন্দ্ৰ সিঙৰ।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**